# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-06-2024
**Time :** 1910 Hrs.

***Assamese Evening Bulletin***
**Headlines**

১। ভাৰত আৰু বাংলাদেশে আজি কেইবাটাও গুৰুত্বপূৰ্ণ ক্ষেত্ৰৰ চুক্তিত স্বাক্ষৰ কৰিছে।

২। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে সময় মতে কৰ হস্তান্তৰ, বিত্ত আয়োগৰ অনুদান আৰু জি এছ টি ক্ষতিপূৰণৰ বকেয়া আদায়ৰ জৰিয়তে ৰাজ্যসমূহৰ উন্নয়নৰ হকে কেন্দ্ৰই সহায়-সমৰ্থন আগবঢ়াই আহিছে।

৩। অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশন পৰহিলৈ আৰম্ভ হ'ব।

৪। ভাৰতৰ জ্যোতি সুৰেখা ভেন্নম, পৰ্ণিত কৌৰ আৰু অদিতি স্বামীয়ে তুৰস্কৰ অন্তাল্যাত অনুষ্ঠিত আৰ্চাৰী বিশ্বকাপত কম্পাউণ্ড শাখাৰ দলীয় শিতানত স্বৰ্ণ পদক লাভ কৰিছে। **আৰু**

৫। ভাৰত আজি হ'বলগীয়া আই চি চি টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ-এইট পৰ্যায়ৰ সপ্তমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

ভাৰত আৰু বাংলাদেশে আজি বিভিন্ন ক্ষেত্ৰৰ কেইবাখনো চুক্তিত স্বাক্ষৰ কৰাৰ লগতে কেইবাখনো বুজাবুজি চুক্তি নৱীকৰণ কৰিছে। এই চুক্তিসমূহৰ ভিতৰত ডিজিটেল আৰু সেউজ অংশীদাৰিত্ব, সামুদ্ৰিক সহযোগিতা, সামুদ্ৰিক অৰ্থনীতি, স্বাস্থ্য আৰু চিকিৎসা, মহাকাশ সহযোগিতা, ৰে'ল যোগাযোগ, সামুদ্ৰিক বিজ্ঞান, দুৰ্যোগ ব্যৱস্থাপনা আৰু মীন পালন অন্যতম। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভাৰত ভ্ৰমণৰত বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ মাজত নতুন দিল্লীৰ হায়দৰাবাদ ভৱনত অনুষ্ঠিত দ্বিপাক্ষিক আলোচনাৰ পাছত এই চুক্তিত স্বাক্ষৰ কৰা হয়। প্ৰধানমন্ত্ৰীয়ে এটা প্ৰেছ বিবৃতিত কয় যে বাংলাদেশ ভাৰতৰ চুবুৰীয়া প্ৰথম আৰু এক্ট ইষ্ট নীতি তথা সাগৰ আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীৰ মূল ভেটিস্বৰূপ। তেওঁ কয় যে বিগত বছৰত দুয়োখন ৰাষ্ট্ৰই জনকল্যাণৰ লক্ষ্যৰে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প সম্পূৰ্ণ কৰিছে। শ্ৰীমোদীয়ে কয় যে গংগা নৈৰ ওপৰেৰে দেশ দুখনৰ মাজত বিশ্বৰ দীৰ্ঘতম নৈ প্ৰমোদ যাত্ৰা সফলতাৰে সম্পূৰ্ণ হোৱাৰ লগতে মৈত্ৰী পাইপ লাইনো সম্পূৰ্ণ হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতে বাংলাদেশৰ জনসাধাৰণক চিকিৎসা সুবিধা প্ৰদান কৰাৰ বাবে সোনকালে ই-চিকিৎসা ভিছা মুকলি কৰিব। তদুপৰি দেশখনৰ ৰংপুৰত নতুন সহকাৰী উচ্চায়ুক্ত কাৰ্যালয় মুকলি কৰাৰ বাবেও সিদ্ধান্ত লোৱা হৈছে। দুয়োখন দেশে পাৰস্পৰিক বাণিজ্য, যোগাযোগ আৰু সহযোগিতাৰ দিশত গুৰুত্ব দিছে আৰু পৰৱৰ্তী সময়ত তেওঁলোকে ডিজিটেল আৰু শক্তি সংযোগৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। ইয়াৰ ফলত দুয়োখন দেশৰ অৰ্থনীতি বিকাশ ত্বৰান্বিত হ'ব বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। আনহাতে দুয়োখন ৰাষ্ট্ৰই সৰ্বাত্মক অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিক লৈ আলোচনা কৰিবলৈ সাজু বুলিও তেওঁ মন্তব্য কৰে। আনহাতে বাংলাদেশৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে নিজৰ প্ৰেছ বিবৃতিত

ভাৰতত বিশ্বাসী বন্ধু আৰু আঞ্চলিক সহযোগী বুলি অভিহিত কৰে। তেওঁ প্ৰধানমন্ত্ৰী মোদীক দুয়ো দেশৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক শক্তিশালী কৰাৰ বাবে দেশখন ভ্ৰমণ কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহা প্ৰধানমন্ত্ৰীগৰাকীক আজি পুৱাৰ ভাগত ৰাষ্ট্ৰপতি ভৱনৰ চৌহদত আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। পাছত শ্ৰীমতী হাছিনাই ৰাজঘাটত থকা মহাত্মা গান্ধীৰ সমাধিত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ক সাক্ষাৎ কৰাৰ কথা আছে।

০০০০০০০

ভাৰত আৰু বাংলাদেশে উভয় ৰাষ্ট্ৰৰ সমৃদ্ধিৰ বাবে যোগাযোগ, বাণিজ্য আৰু সহযোগিতা বৃদ্ধিৰ অৰ্থে ভৱিষ্যৎ দৃষ্টিভংগী পত্ৰৰ আদান প্ৰদান কৰিছে। এই ভৱিষ্যনথিত ভাৰতৰ বিকশিত ভাৰত ভিজন,২০৪৭ আৰু বাংলাদেশৰ স্মাৰ্ট বাংলাদেশ ভিজন, ২০৪১ৰ ওপৰত আলোকপাত কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ মাজত আজি নতুন দিল্লীত এই নথিকেইখনৰ আদান-প্ৰদান হয়। প্ৰধানমন্ত্ৰীদ্বয়ৰ মাজৰ দ্বিপাক্ষিক আলোচনাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ভাৰতৰ বিদেশ সচিব বিনয় মোহন কোৱাট্ৰাই কয় যে দুয়োখন দেশে ডিজিটীয় সহযোগিতা সম্পৰ্কীয় নথিত স্বাক্ষৰ কৰিছে। বহনক্ষম ভৱিষ্যতৰ বাবে সেউজ সহযোগিতা বিষয়ক নথিতো স্বাক্ষৰ কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। বিদেশ সচিবগৰাকীয়ে কয় যে দুয়োপক্ষই সন্ত্ৰাসবাদ-মৌলবাদ প্ৰতিহতকৰণ বিষয়ক আলোচনা ত্বৰান্বিত কৰা আৰু দুয়োখন দেশৰ মাজৰ দীঘলীয়া সীমান্তৰ শান্তিপূৰ্ণ ব্যৱস্থাপনাৰ সপক্ষে মত পোষণ কৰিছে।

০০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে  সময় মতে কৰ হস্তান্তৰ, বিত্ত আয়োগৰ অনুদান আৰু জি এছ টি ক্ষতিপূৰণৰ বকেয়া আদায়ৰ জৰিয়তে ৰাজ্যসমূহৰ উন্নয়নৰ হকে কেন্দ্ৰই সহায়-সমৰ্থন আগবঢ়াই আহিছে। ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত আজি ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ বিত্তমন্ত্ৰীসকলৰ সৈতে অনুষ্ঠিত প্ৰাক্-বাজেট আলোচনাত অধ্যক্ষতা কৰি শ্ৰীমতী সীতাৰমনে এইদৰে প্ৰকাশ কৰে। বিত্তমন্ত্ৰীগৰাকীয়ে লগতে কেন্দ্ৰীয় চৰকাৰৰ মূলধনী বিনিয়োগৰ বাবে ৰাজ্যসমূহলৈ বিশেষ সাহায্য আঁচনিৰ সুযোগ গ্ৰহণ কৰিবলৈ ৰাজ্যসমূহক উৎসাহিত কৰে। তেওঁ কয় যে এই আঁচনিৰ অধীনত প্ৰদান কৰা অধিকাংশ ঋণ নমনীয়। অৱশ্যে জনসাধাৰণ-কেন্দ্ৰিক সংস্কাৰ আৰু ক্ষেত্ৰ-ভিত্তিক মূলধনী প্ৰকল্প ৰূপায়ণ কৰা ৰাজ্যসমূহৰ বাবে আগবঢ়োৱা একাংশ ঋণ চৰ্তসাপেক্ষ। কেন্দ্ৰীয় বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধৰী, গোৱা, মেঘালয়, মিজোৰাম, নাগালেণ্ড আৰু ছিকিমৰ মুখ্যমন্ত্ৰীসকলৰ উপৰি বিহাৰ, মধ্যপ্ৰদেশ, ওড়িশা, ৰাজস্থান আৰু তেলেংগানাৰ উপ-মুখ্যমন্ত্ৰীসকলে এই বৈঠকত অংশগ্ৰহণ কৰে। অন্যান্য ৰাজ্যৰ বিত্তমন্ত্ৰীসকলো বৈঠকত উপস্থিত থাকে।

০০০০০০০

অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশন সোমবাৰে আৰম্ভ হ'ব। এই অধিবেশনত নৱনিৰ্বাচিত সদস্যসকলে শপত গ্ৰহণ কৰিব। অস্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি লাভ কৰা বি জে পিৰ জ্যেষ্ঠ সাংসদ ভৰ্তৃহৰি মহতাবে লোকসভাৰ নৱনিৰ্বাচিত সাংসদসকলক  শপত বাক্য পাঠ কৰোৱাব। লোকসভাৰ নতুন অধ্যক্ষ নিৰ্বাচন ২৬ জুনত অনুষ্ঠিত হ'ব। আনহাতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২৭ জুনত লোকসভা আৰু ৰাজ্যসভাৰ যুটীয়া বৈঠকত ভাষণ দিব। ৰাজ্য সভাৰ অধিবেশন ২৭ জুনত আৰম্ভ হ'ব। ৩ জুলাইত সংসদৰ অধিবেশনৰ সামৰণি পৰিব।

০০০০০০০

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা চমুকৈ এনটিএৰ দ্বাৰা পৰিচালিত স্বচ্ছ, নিকা আৰু ন্যায্য পৰিচালনাৰ বাবে এখনি উচ্চ পৰ্যায়ৰ বিশেষজ্ঞৰ সমিতি গঠন কৰিছে। ইছৰোৰ অধ্যক্ষ ড০ কে ৰাধাকৃষ্ণৰ অধ্যক্ষতাত গঠিত এই সাতজনীয়া সমিতিখনৰ এনটিএৰ পৰীক্ষা প্ৰক্ৰিয়াৰ কাৰ্যক্ষমতা বৃদ্ধি, তথ্য সুৰক্ষাৰ প্ৰটোকল উন্নত কৰা, পেনেলৰ বৰ্তমানৰ প্ৰক্ৰিয়াসমূহৰ মূল্যায়ন কৰা আদি দায়িত্ব প্ৰদান কৰা হৈছে। ইয়াৰ উপৰি সমিতিখনে বৰ্তমানৰ অভিযোগ নিৰাময় ব্যৱস্থাৰ মূল্যায়ন কৰি উন্নীতকৰণৰ কামতো আগভাগ ল'ব। মন্ত্ৰালয়ত প্ৰতিবেদন দাখিল কৰাৰ বাবে সমিতিখনক দুমাহৰ সময় ধাৰ্য কৰি দিয়া হৈছে।

এই সমিতিৰ সদস্যসকলৰ ভিতৰত আছে এইমছ, দিল্লীৰ প্ৰাক্তন সঞ্চালক ড০ ৰণদীপ গুলেৰিয়া, হায়দৰাবাদ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক বি জে ৰাও, আই আই টি মাদ্ৰাজৰ অধ্যাপক ৰামামূৰ্তি কে আৰু আই আই টি দিল্লীৰ ছাত্ৰ পৰিক্ৰমাৰ ডীন অধ্যাপক আদিত্য মিট্টাল।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া হ'ব অনুষ্ঠানটোৰ ১১১ সংখ্যক খণ্ড আৰু শ্ৰীমোদী একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথমটো খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ পাছতে আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

ভাৰতৰ জ্যোতি সুৰেখা ৱেন্নম, পৰ্ণিত কৌৰ আৰু অদিতি স্বামীয়ে তুৰস্কৰ অন্তাল্যাত অনুষ্ঠিত আৰ্চাৰী বিশ্বকাপত কম্পাউণ্ড শাখাৰ দলীয় শিতানত স্বৰ্ণ পদক লাভ কৰিছে। ভাৰতীয় মহিলা দলটোৱে আজি বিয়লি অনুষ্ঠিত ফাইনেলত ইষ্টোনিয়াক ২৩২-২২৯ ফলাফলত পৰাভূত হয়। ইয়াৰ লগে ভাৰতীয় দলটোৱে এই খেলবৰ্ষত তিনিওটা বিশ্বকাপৰ দলীয় শিতানত সোণৰ পদক হস্তগত কৰাৰ কৃতিত্ব লাভ কৰে। ইয়াৰ পূৰ্বে বিশ্বৰ ১ নম্বৰ স্থানৰ ভাৰতীয় মহিলা দলটোৱে চাংহাইত অনুষ্ঠিত বিশ্বকাপ ২০২৪ৰ প্ৰথম পৰ্যায়ত ইটালীক আৰু য়েছিঅ'নত অনুষ্ঠিত দ্বিতীয় পৰ্যায়ৰ ফাইনেলত কোৰিয়া গণৰাজ্যক পৰাস্ত কৰিছিল।

০০০০০০০

ভাৰত আজি এণ্টিগুৱাৰ নৰ্থ ছাউণ্ডৰ ছাৰ ভিভিয়ান ৰিছাৰ্ডছ ষ্টেডিয়ামত হ'বলগীয়া আই চি চি টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ-এইট পৰ্যায়ৰ সপ্তমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। ছেমিফাইনেলত প্ৰৱেশ কৰিবৰ বাবে ভাৰতীয় দলটোৱে এই খেলখনত জয়ী হ'বলৈ সৰ্বশক্তিৰে চেষ্টা কৰিব। আজিৰ খেলখনত পৰাজিত হ'লে বাংলাদেশ প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'ব। আকাশবাণীয়ে আজিৰ খেলখনৰ পোনপটীয়া প্ৰচাৰ কৰিব।

ইপিনে ৱেষ্ট ইণ্ডিজে আজি পুৰা বাৰবাডোছৰ কেনছিংটন অভেলত অনুষ্ঠিত এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰক ৯ উইকেটত পৰাস্ত কৰে। ৱেষ্ট ইণ্ডিজে ১২৯ ৰানৰ লক্ষ্য অনুসৰণ কৰি মাত্ৰ ১০ অভাৰ ৫টা বলতে ১৩০ ৰান কৰি খেলখনত বিজয়ী হয়। দলটোৰ হৈ ছাই হ'পে ৩৯ টা বলত ৮২ ৰান কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰথমে বেট ধৰি ১৯ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই  ১২৮ ৰান সংগ্ৰহ কৰে। ৱেষ্ট ইণ্ডিজৰ ৰষ্টন চেজে তিনিটা উইকেট দখল কৰে আৰু তেওঁ প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০০

ভাৰতৰ ঋতুজা ভোচলে আৰু চীনৰ ফাংগৰাণ টিয়ানৰ যুটীটোৱে স্পেইনৰ টাউষ্টেত অনুষ্ঠিত মহিলাৰ আই টি এফ ৱৰ্ল্ড ট্যুৰ টেনিছ  প্ৰতিযোগিতাৰ খিতাপ অৰ্জন কৰিছে। ঋতুজা আৰু ফাংগৰাণৰ যুটীটোৱে আজি ফাইনেলত অষ্ট্ৰেলিয়াৰ আলানা পাৰ্নাবীৰ আৰু মেক্সিকোৰ ভিক্টোৰিয়া ৰোড্ৰিগুৱেজৰ যুটীটোক ৬-২, ৬-৪ পোনপটীয়া ছেটত পৰাস্ত কৰে।

০০০০০০০

**ঃ সমাপ্ত ঃ**